*No.TS/4/2020-Title (RNI)*
**Office of Registrar of Newspapers for India**
(M/o Information & Broadcasting)
9th Floor, Soochna Bhawan, CGO Complex,
Lodhi Road, New Delhi-110003.

Dated 08/09/2020

# NOTICE TO PUBLISHERS

**Subject: Title Verification Guidelines reg.**

The Title verification guidelines as amended on 08.09.2020 by the competent authority is attached. Following may kindly be noted:

(i) The amended guidelines will be effective from today (i.e. 08.09.2020), except for (ii) below

(ii) The *Clause 16(a)* of the guidelines shall be effective from 01st January 2021 or, if notified otherwise

(iii) The guidelines are now made available in Urdu, Gujarati, Marathi, Bengali, Odia, Assamese, Kannada, Telugu, Malayalam and Tamil languages, in addition to Hindi and English.

(Joyce Philip)
Asst. Press Registrar

নং: TS/4/ 2020/Title/RNI

ভাৰত চৰকাৰ

ভাৰতীয় বাতৰিকাকতসমূহৰ পঞ্জীয়কৰ কাৰ্যালয়

(তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়)

৯ম মহলা, সূচনা ভৱন, চিজিঅ' কমপ্লেক্স,

লোধি ৰোড, নতুন দিল্লী – ১১০০০৩

******

**তাৰিখঃ** 8th September, 2020

**বাতৰিকাকতসমূহৰ নাম পৰীক্ষণৰ অৰ্থে নীতি-নিৰ্দেশনা**

(1) প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেশ্যন অৱ বুকছ এক্ট, ১৮৬৭ ৰ জৰিয়তে 'বাতৰিকাকত'সমূহৰ পঞ্জীয়ন কৰা হয় যাক এইবুলি সূচিত কৰা হৈছে "ৰাজহুৱা বাতৰি বা ৰাজহুৱা বাতৰি সন্দৰ্ভত মন্তব্যৰে সমৃদ্ধ যিকোনো ছপা কৰা পত্ৰিকাৰ কাম"।

(2) বাতৰিকাকত এখনি প্ৰকাশৰ ইচ্ছা কৰা কোনো লোকে নিৰ্দিষ্ট কৰ্তৃপক্ষক বাতৰিকাকতখনৰ প্ৰস্তাৱিত নাম (সমূহ)ৰ সৈতে এখনি ঘোষণা পত্ৰ দাখিল কৰিব লাগিব। প্ৰেছ ৰেজিষ্টাৰৰপৰা অনুমতি লাভৰ পাছত এই নিৰ্দিষ্ট কৰ্তৃপক্ষই এই ঘোষণাক অনুমোদন জনাব যদিহে প্ৰস্তাৱিত নামটো নহয়:

a) যিকোনো ভাষাতেই এখন ৰাজ্যত একে বা সমজাতীয়, বা

b) সমগ্ৰ ভাৰতত একেটা ভাষাতেই বৰ্তমানে থকা নামৰ সৈতে একে বা সমজাতীয়।

(3) নাম পৰীক্ষণৰ অৰ্থে আবেদন কৰাৰ পূৰ্বে, আবেদনকাৰীজনে **আৰএনআই ৱেবচাইটত থকা 'Verified Titles/Title Search' মেনু** লিংকত উপলব্ধ অনুমোদিত নামসমূহৰ সম্পূৰ্ণ তালিকাখন পৰীক্ষা কৰিব লাগিব, আৰু আৰএনআইৰ দ্বাৰা ইতিমধ্যেই অনুমোদিত নামসমূহৰে প্ৰস্তাৱিত নামসমূহ যে একে বা সমজাতীয় নহয় সেয়া সুনিশ্চিত কৰিব লাগিব। আৰএনআইৰ ৱেবচাইটত নামসমূহ প্ৰত্যক্ষ কৰাৰ পাছত প্ৰস্তাৱিত নামসমূহ যদি ইতিমধ্যেই অনুমোদিত, **ই এইটো সূচিত নকৰে যে অনুমোদিত নামসমূহৰ তালিকাত নথকা নাম (সমূহ) অৱশ্যেই উপলব্ধ।**

নাম অনুমোদন বা বাতিলৰ চূড়ান্ত অধিকাৰ প্ৰেছ ৰেজিষ্টাৰক ন্যস্ত কৰা থাকে।

(4) মাথো অনলাইন পদ্ধতিৰ জৰিয়তেহে বাতৰিকাকত/ পত্ৰিকাসমূহৰ নাম পৰীক্ষণৰ অৰ্থে আবেদন কৰিব পৰা যায়। আৰএনআইৰ ৱেবচাইট http//www.rni.nic.in ত আবেদন পত্ৰ (বদ্ধ ফৰ্মেটত) উপলব্ধ। ইয়াৰ এটা ছপা কপি নিৰ্দিষ্ট কৰ্তৃপক্ষ (জিলা দণ্ডাধীশ/সংশ্লিষ্ট জিলাখনৰ কাৰ্যবাহী দণ্ডাধীশ) ৰ জৰিয়তে আৰএনআইলৈ প্ৰেৰণ কৰিব লাগে।

(5) এই আবেদনখনি প্ৰেৰণ কৰা নিৰ্দিষ্ট কৰ্তৃপক্ষৰ মোহৰ আৰু স্বাক্ষৰ নাম আবেদনখনিৰ প্ৰতিটো পৃষ্ঠাতে স্পষ্ট আৰু সম্পূৰ্ণ হোৱা উচিত।

(6) জিলা দণ্ডাধীশ/নিৰ্দিষ্ট কৰ্তৃপক্ষৰদ্বাৰা প্ৰেৰণ কৰা নাম আবেদনৰ মাথো প্ৰকৃত কপিটোহে নাম পৰীক্ষণৰ অৰ্থে আৰএনআইত প্ৰয়োগ হ'ব। **ফটোকপি গ্ৰহণ কৰা নহয়।** নাম আবেদনখনিত কোনো বিকৃতি বা বগা তৰল উপাদানৰ ব্যৱহাৰ বা কটা-কুটা/ওপৰত লিখা কাৰ্য গ্ৰহণযোগ্য নহয়।

(7) আবেদনখনিত এটাতকৈ অধিক ভাষা উল্লেখৰ ক্ষেত্ৰত বাতৰিকাকতখন দ্বিভাষিক/বহুভাষিক বুলি অনুমান কৰা হ'ব আৰু সেই অনুসাৰে পৰীক্ষা কৰা হ'ব।

(8) এখন বাতৰিকাকত বা পত্ৰিকা এটা ভাষাৰ বা দ্বিভাষিক বা বহুভাষিক হ'ব পাৰে। যদি দুটা ভাষা বা বহু ভাষাত প্ৰকাশ পায়, ইয়াত সকলো ভাষাতে বাতৰি/প্ৰৱন্ধ সমৃদ্ধ হোৱাটো আৱশ্যকীয় তথা তেনেকৈয়ে নামটোত অনুমোদন জনোৱা যায়। যদি ভিন্ন ভাষাত পৃথকে প্ৰকাশ কৰা হয়, প্ৰতিটো প্ৰকাশৰ অৰ্থে পৃথকে আবেদন দাখিল কৰিব লাগিব।

(9) **যদি বৰ্তমানে প্ৰকাশ পাই থকা প্ৰকাশনৰ নতুন সংস্কৰণ একেখন ৰাজ্যৰ আন জিলাৰপৰা একে ভাষাতে প্ৰকাশ কৰাৰ দিহা কৰা হয়, তেনে ক্ষেত্ৰত পূৰ্বে নাম পৰীক্ষণৰ প্ৰয়োজনীয়তা আহি নপৰে।** পঞ্জীয়ন নম্বৰ আৰু প্ৰমাণপত্ৰ লাভৰ কাৰণে প্ৰকাশকজনে পোনপটীয়াকৈ আৰএনআইক ঘোষণা দাখিল আৰু যাৱতীয় নথি-পত্ৰ দাখিল কৰিব পাৰে। অৱশ্যে যদি প্ৰস্তাৱিত নতুন সংস্কৰণটো আন ৰাজ্যৰপৰা বা বেলেগ ভাষা (একে বা আন ৰাজ্যৰপৰা) ত প্ৰকাশ কৰা হয়, তেতিয়া পূৰ্বে নাম পৰীক্ষণ প্ৰয়োজনীয়।

(10) এটা নিৰ্দিষ্ট ভাষাত, ৰাজ্য আৰু সময়ৰ অন্তৰাল (periodicity) ৰ বাবে লাভ কৰা এটা নামৰ বাবে আবেদনকাৰীজনে একেটা নামৰে আন ভাষা, ৰাজ্য আৰু সময়ৰ অন্তৰালৰ কাৰণে কোনো মালিকীস্বত্বৰ দাবী কৰিব নোৱাৰিব।

(11) আন ৰাজ্য, ভাষা বা সময়ৰ অন্তৰাল সাপেক্ষে পূৰ্বে লাভ কৰা নামৰ পৰীক্ষণ নীতি-নিৰ্দেশনা অনুসৰিয়েই উপলব্ধতাৰ বাবে বিবেচনা কৰা হ'ব।

(12) আৰএনআইৰ ৰেকৰ্ডত ইতিমধ্যেই প্ৰকাশনৰ নাম পঞ্জীয়ন হৈ থকা আবেদনকাৰীয়ে **নতুন নাম (সমূহ) ৰ কাৰণে আবেদন কৰাৰ পূৰ্বে আৰএনআইৰ কাৰ্যালয়ক যে পঞ্জীকৃত প্ৰকাশন (সমূহ) ৰ বাবে শেহতীয়া বাৰ্ষিক প্ৰতিবেদন দাখিল** কৰিছে সেয়া নিশ্চিত কৰিব লাগিব।

(13) নাম পৰীক্ষণৰ আবেদন, যিকোনো অসম্পূৰ্ণতা সাপেক্ষে বাতিল কৰা হ'ব।

(14) নাম পৰীক্ষণৰ অৰ্থে আবেদনৰ বিবেচনা কাৰ্যত প্ৰেছ ৰেজিষ্টাৰদ্বাৰা নিৰ্ধাৰণ কৰা বিস্তৃত মানদণ্ডসমূহ তলত উল্লেখ কৰা হৈছেঃ

a) এখন ৰাজ্যত যিকোনো ভাষাত একে বা সমজাতীয় নাম বা সমগ্ৰ ভাৰতৰ প্ৰেক্ষাপটত একে ভাষাত একে বা সমজাতীয় নামত অনুমোদন জনোৱা নহয়।

b) বিদেশী বাতৰিকাকত/আলোচনীৰ সৈতে একে বা সমজাতীয় নামৰ ক্ষেত্ৰত বিদেশৰ নামটোৰ গৰাকীৰ সৈতে বৈধ অনুজ্ঞা চুক্তি দাখিল নকৰিলে পঞ্জীয়ন কৰা নহ'ব।

c) পূৰ্বে নাম এটা পঞ্জীয়ন আৰু তেওঁক এয়া প্ৰদানৰ পাছতহে মাথো এজন আবেদনকাৰীয়ে এটা নতুন নাম (সমূহ)ৰ কাৰণে আবেদন কৰিব পাৰিব।

d) আবেদনকাৰীয়ে এবাৰত তিনিখনতকৈ অধিক নাম আবেদন দাখিল কৰিব নোৱাৰিব। যদি এজন আবেদনকাৰীৰপৰা তিনিখনতকৈ অধিক আবেদন লাভ কৰা হয়, মাত্ৰ তিনিখন আবেদনহে বিবেচনা কৰা হ'ব আৰু সেয়ে বাকী আবেদনকেইখন অগ্ৰাহ্য হৈ পৰিব।

e) প্ৰথমে যি আহে তেওঁকে নামসমূহ অনুমোদন জনোৱা হ'ব, মাথো তলত উল্লেখিত চৰ্তকেইটা সাপেক্ষে নহয়ঃ

   i) বিদেশী নামৰ ক্ষেত্ৰত আবেদনকাৰীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ এনঅ'চি দাখিল কৰিব লাগিব।

   ii) যদি আদালত বা কোনো সংবিধিবদ্ধ কৰ্তৃপক্ষৰ নিৰ্দেশনা লাভ কৰা যায়, সেয়া দাখিল কৰিব লাগিব আৰু এনে নিৰ্দেশনা/নিৰ্দেশৰ বিৰুদ্ধে আবেদন নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

   iii) প্ৰেছ ৰেজিষ্টাৰৰ অনুমোদন সাপেক্ষে আন কোনো ৰাজহুৱা স্বাৰ্থ জড়িত থকাৰ ক্ষেত্ৰত।

f) আবেদনখনি পূৰণ কৰোতে আবেদনকাৰীয়ে কৰা বানানৰ কোনো ভুলৰ কাৰণে নাম অগ্ৰাহ্য হোৱাৰ ক্ষেত্ৰত আৰএনআই দায়বদ্ধ নহ'ব।

g) প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেশ্যন অৱ বুকছ এক্ট, ১৮৬৭ ৰ ১ নং দফাৰ অধীনত উল্লেখিত ধৰণৰে আৰএনআয়ে মাথো বাতৰিকাকত আৰু সাময়িক পত্ৰসমূহহে পঞ্জীয়ন কৰে। তলত উল্লেখ কৰা পৰ্যায়ৰ আবেদনকাৰীৰপৰা নাম পৰীক্ষণৰ আবেদন গ্ৰহণ কৰা নহয়ঃ

   i) নিউজ এজেন্সী
   ii) ফিচাৰ এজেন্সী
   iii) নিউজ ৱেবচাইট
   iv) নিউজ চেনেল
   v) ডট কম, ডট ইন, ই-, ব্লগ, পৰ্টেল, ফেচবুক, টুইটাৰ, অৰকুট, লিংকডইন, ইউটিউব, য়াহু, গুগল, ৱিকিপেডিয়া, ৱিকিলিকছ ৰ দৰে শব্দৰ ব্যৱহাৰৰে নাম বিকল্পকে ধৰি প্ৰকাশনৰ ইলেকট্ৰনিক সংস্কৰণ।

(15) প্ৰস্তাৱিত বাতৰিকাকতৰ কাৰণে তলত উল্লেখ কৰা পৰ্যায়ৰ নামসমূহ গ্ৰহণ কৰা নহ'বঃ

i) চৰকাৰী বিভাগ, চৰকাৰী সংস্থা, বিদেশৰ চৰকাৰ, ৰাষ্ট্ৰসংঘ, ডব্লিউএইচঅ', আইএলঅ' ইত্যাদিৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংস্থা আদিৰ নামৰ সৈতে জড়িত শিৰোনাম যিয়ে এইসমূহৰ স্থিতিক বিপথে পৰিচালিত কৰাৰ সম্ভাৱনা থাকে।

ii) কেন্দ্ৰীয়/ৰাজ্য চৰকাৰসমূহৰ ৰাজহুৱা কল্যাণ আঁচনি বা ইয়াৰ অধীনস্থ সংস্থা বা স্থানীয় নিকায়ৰ সৈতে সম্পৰ্ক থকা নাম।

iii) এড/এডভাৰ্টাইজমেন্ট, ক্লাছিফাইড, টেণ্ডাৰ, ৰিয়েল এষ্টেট, কেলেণ্ডাৰ, পঞ্চাং, মেট্ৰিমণিয়েল, ইয়েল্ল' পেজেছ/পেজ (সাধাৰণতে বগা, গোলাপী ইত্যাদিৰে উপসৰ্গযুক্ত), গাইড, ডায়েৰী, জিষ্ট, ফেক্ট শ্বীট, বুলেটিন, পাম্ফলেট, ব্ৰুচাৰ, ডায়ৰেক্টৰী আদি শব্দ ব্যৱহাৰৰে দিয়া নাম, কিয়নো এনে প্ৰকাশনত **বাতৰি/মতামত/প্ৰৱন্ধ ইত্যাদিবোৰ নাথাকে।**

iv) সংক্ষিপ্ত শব্দ (abbreviations) বা আদ্যক্ষৰৰ সমষ্টি (acronyms) যেনেঃ B2B, A2Z ইত্যাদি থকা নাম।

v) পিক্ট'গ্ৰাফ, ভিডিঅ'গ্ৰাম, হ'লমাৰ্ক, ল'গ', মন'গ্ৰাম, এব্ৰিবিয়েশ্যন, ফ'ন'গ্ৰাম, ইম'জী আদি **কোনো ধৰণৰ সংকেত আৰু প্ৰতীক** যুক্ত নাম শিৰোনাম হিচাপে ব্যৱহাৰ কৰিবলৈ অনুমোদন জনোৱা নহয়।

vi) আল্ফা-নিউমাৰিক' শিৰোনাম সন্নিৱিষ্ট, উদাহৰণ স্বৰূপে ছবি অথবা চিহ্ন সম্বলিত

vii) প্ৰথম দৃষ্টিতে অবাস্তৱ আৰু অৰ্থহীন যেন লগা শিৰোনামৰ যথাৰ্থতা পৰীক্ষণৰ দিহা কৰা নহ'ব। যিকোনো ৰূপৰ সংখ্যা অথবা গাণিতিক চিহ্ন, যথা '+, *' আদি, শিৰোনামত ব্যৱহাৰ কৰা অনুচিত। অৰ্থহীন শব্দৰ ব্যৱহাৰৰে দিয়া শিৰোনাম যেনে-সাপ্তাহিক উইক্লী, সন্ধিয়া ইভিনিং, ডেইলী দৈনিক বাতৰি আদিৰো যথাৰ্থতা পৰীক্ষা কৰা নহ'ব।

viii) ধৰ্মীয় অৰ্থসূচক, দৃষ্টিকটূ আৰু ৰাজহুৱা আবেগ-অনুভূতিক ক্ষুণ্ণ কৰিব পৰা বিধৰ শিৰোনামৰ পৰীক্ষণৰ দিহা কৰা নহ'ব।

ix) নেতিবাচক অৰ্থসূচক অথবা অপৰাধ আৰু ভ্ৰষ্টাচাৰৰ দৰে শব্দৰ সৈতে সহজে অপব্যৱহাৰ কৰিব পৰা শব্দৰ শিৰোনাম পৰীক্ষা কৰা নহ'ব।

x) এম্প্লইমেন্ট/ৰোজগাৰ/কেৰিয়াৰ/জব/নকৰী আদিৰ দৰে শব্দৰে গঠিত শিৰোনামৰ বাবে কেৱল সংস্থা/সমাজ/প্ৰতিষ্ঠান/ন্যাস আদিয়েহে আবেদন কৰিব পাৰিব। এনে শিৰোনাম বিচাৰি ব্যক্তিবিশেষে কৰা আবেদন পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব।

xi) 'প্ৰতীক আৰু শিৰোনাম(অপ-ব্যৱহাৰ নিবাৰণ)আইন, ১৯৫০'ক উলংঘা কৰা কোনো শিৰোনাম**।**

xii) কোনো ৰাষ্ট্ৰীয় প্ৰতীক, ৰাষ্ট্ৰীয় মূলমন্ত্ৰৰে হুবহু একে অথবা একেধৰণৰ, অথবা কেন্দ্ৰীয় চৰকাৰ-ৰাজ্য চৰকাৰ অথবা কোনো স্থানীয় নিকায়ৰে জড়িত থকা বুলি আভুৱা ভাৰিব পৰা ধৰণৰ শিৰোনাম পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব।

xiii) জড়িত হৈ থকা সংশ্লিষ্ট বিভাগৰ বাহিৰে আৰক্ষী, ব্যুৰ', অনুসন্ধানকাৰী বিভাগ, তদাৰকী কোষ, অপৰাধ অনুসন্ধান বিভাগৰ দৰে দেশৰ নিয়ামক-প্ৰৱৰ্তক সংস্থাসমূহৰ নাম ব্যৱহাৰ কৰি দিব খোজা শিৰোনাম।

xiv) দেশৰ বৰ্তমান/প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী, যিখন ৰাজ্যৰ পৰা বাতৰি কাকতখন পঞ্জীয়ন কৰিব খোজা হৈছে সেই ৰাজ্যৰ বৰ্তমানৰ ৰাজ্যপাল আৰু মুখ্য মন্ত্ৰী, বৰ্তমান ভাৰতৰ মুখ্য ন্যায়াধীশ, মহালেখা আৰু মহা গাণনিক আৰু মুখ্য নিৰ্বাচন আয়ুক্তৰ নামৰে দিয়া শিৰোনাম।

xv) ৰাষ্ট্ৰীয় নেতা অথবা খ্যাতিমন্ত ৰাষ্ট্ৰীয় নেতাৰ নামৰে সামঞ্জস্য থকা, চৰকাৰৰ মূৰব্বী, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ বিষয়ববীয়াৰ নাম সন্নিৱিষ্ট শিৰোনাম পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব। অৱশ্যে জড়িত হৈ থকা সংস্থাই কৰা আবেদনৰ ক্ষেত্ৰত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় অথবা ৰাজ্যিক পৰ্যায়ৰ ৰাজনৈতিক দলৰ নাম বিবেচনা কৰা হ'ব।

xvi) ইতিমধ্যে পঞ্জীয়নভুক্ত বাতৰি কাকতৰ নাম সংযুক্ত শিৰোনাম, ইতিমধ্যে থকা দুটা বা ততোধিক নাম সম্বলিত অথবা ইতিমধ্যে থকা নামৰ একাংশৰে গঠিত নতুন শিৰোনামটোৱে যদিহে সম্পূৰ্ণ বেলেগ নাম নুসূচায় তেন্তে তেনে পৰিস্থিতিতো এই শিৰোনাম পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব। ইতিমধ্যে থকা নামৰ দুটা শব্দৰ মাজত এটা নতুন শব্দ সন্নিৱিষ্ট কৰিলেও ই যদি স্পষ্ট ভাবে পৃথক অৰ্থ নুসূচায় তেন্তে এই শিৰোনামক একে বুলিহে গণ্য কৰা হ'ব।

xvii) ইতিমধ্যে থকা কোনো নামৰ সৈতে হুবহু একে শব্দৰে গঠিত শিৰোনাম, লাগিলে সেয়া একে শৃংখলাতে সজোৱা হওকেই বা নহওকেই অথবা প্ৰকাশৰ স্থান আৰু প্ৰকাশৰ কালেই পৃথক নহওক কিয়।

xviii) ইতিমধ্যে থকা নামৰ সৈতে মহানগৰী, ৰাজ্য, প্ৰকাশনৰ সময়-কাল, ভাষাৰ সৈতে সংগতি থকা শব্দ আগত অথবা পিছত সংযুক্ত কৰি; উপসৰ্গ-বিশেষণ, আৰ্টিকলছ(এ, এন, দি)ৰ সংযোজনৰে দিয়া শিৰোনাম পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব। উদাহৰণ স্বৰূপে- দি, টাইমছ, ডেইলী, দৈনিক, সাপ্তাহিক, ভি-ৱাৰ্থা, আজ, টু-ডে, এক্সপ্ৰেছ, খবৰ সমাচাৰ, বুলেটিন, ডায়েৰী, ইণ্ডিয়া, নেশ্যনেল, ৰাষ্ট্ৰীয় আদি।

xix) ইতিমধ্যে থকা নামৰ সৈতে কোনো প্ৰস্তাৱিত প্ৰকাশনীৰ সময়-কাল অথবা ভাষা সংযুক্ত কৰি যুগুতোৱা শিৰোনাম পৰীক্ষণৰ বাবে বিবেচনা কৰা নহ'ব।

xx) সম্পূৰ্ণ ৰূপে প্ৰতিযোগিতামূলক পৰীক্ষা অথবা অধ্যয়ন সামগ্ৰী/ক'শ্বিং সামগ্ৰী সম্বলিত প্ৰকাশনীৰ শিৰোনামৰ পৰীক্ষণ কৰা নহ'ব।

xxi) প্ৰস্তাৱিত প্ৰকাশনীৰ শিৰোনামৰ বানান পৃথক হ'লেও ইতিমধ্যে থকা নামৰ সৈতে যদি ধ্বনিগত ভাবে সামঞ্জস্য থকা হয় তেন্তে, তেনে শিৰোনামৰ পৰীক্ষণ কৰা নহ'ব।

(16) আবেদকসকলৰ সহায়তাৰ বাবে থকা অন্যান্য নিৰ্দেশনা-বিধি ব্যৱস্থাসমূহঃ

(a) **শিৰোনাম পৰীক্ষণৰ দিনাৰ পৰা এবছৰৰ ভিতৰত** স্বত্বাধিকাৰী-প্ৰকাশকে বাতৰি কাকতসমূহৰ পঞ্জীয়ক(আৰএনআই)ৰ কাৰ্যালয়ত শিৰোনাম পঞ্জীয়ন কৰাব লাগিব। যদিহে পৰীক্ষিত শিৰোনাম এবছৰৰ ভিতৰত পঞ্জীয়ণ কৰোৱা নহয় তেন্তে এই শিৰোনাম **মুক্ত ঘোষিত হ'ব আৰু ই অন্য আবেদকসকলৰ বাবেও উপলব্ধ হ'ব।**

(b) শিৰোনাম পৰীক্ষণৰ সমচোৱাত যদি কোনো **<u>আসোঁৱাহ সম্পৰ্কীয় পত্ৰ</u>** প্ৰেৰণ কৰা হয়, তেন্তে আবেদকে পত্ৰ প্ৰেৰণৰ দিনাৰ পৰা ৬০দিনৰ ভিতৰত এই পত্ৰৰ উত্তৰ দান কৰিব লাগিব। নিৰ্দ্ধাৰিত সময়কালৰ ভিতৰত উত্তৰ দান নকৰা আবেদন খাৰিজ কৰা হ'ব। এনে পৰিস্থিতিত শিৰোনাম বিচাৰি জিলা দণ্ডাধীশে প্ৰত্যায়িত কৰা এক নতুন আবেদন দাখিল কৰিব লাগিব।

(c) আসোঁৱাহ সম্পৰ্কীয় পত্ৰবোৰ 'আৰএনআই'-ৰ ৱেবচাইটত উপলব্ধ হ'ব। **সেয়ে উত্তৰ দানৰ বিলম্বৰ ক্ষেত্ৰত এনে পত্ৰ নোপোৱা বুলি দৰ্শোৱা কাৰণ গ্ৰহণৰ বাবে বিবেচনা কৰা নহ'ব।**

(d) এবাৰ মুক্ত ঘোষিত শিৰোনামৰ ক্ষেত্ৰত ইতিপূৰ্বে সেই নাম বিচাৰি আবেদন কৰাসকলৰ কোনো দাবী নাখাটিব। এনে মুক্ত ঘোষিত শিৰোনামৰ পৰীক্ষণ প্ৰক্ৰিয়া যিকোনো আবেদকৰ বাবে শেহতীয়া বিধি-নিৰ্দেশাৱলীৰ আধাৰত আগবাঢ়িব।

(e) কোনো আবেদন খাৰিজ হ'লে, আবেদকে প্ৰেৰক-কৰ্তৃপক্ষৰ জৰিয়তে নতুনকৈ আবেদন কৰিব লাগিব। প্ৰেৰক-কৰ্তৃপক্ষই যথাৰ্থভাবে প্ৰত্যায়িত নকৰিলে 'আৰএনআই'-য়ে আবেদকৰ পৰা প্ৰত্যক্ষভাবে শিৰোনাম বিকল্পৰ আবেদন বিবেচনা নকৰে।

(f) পৰীক্ষিত শিৰোনাম পঞ্জীয়ন নকৰিলে, যুক্তিসংগত কাৰণ লিপিবদ্ধ কৰি, সেই শিৰোনাম খাৰিজ কৰাৰ ক্ষমতা প্ৰেছ পঞ্জীয়কৰ হাতত থাকিব।

(g) পদ্ধতিগত বিলম্ব কিম্বা বাতিল হোৱাৰ দৰে পৰিস্থিতিৰ পৰা আঁতৰি থাকিবলৈকে শিৰোনাম পৰীক্ষণ সম্পৰ্কীয় বিধি-নিৰ্দেশনা কঠোৰভাৱে মানি চলি আবেদন কৰিবলৈ আবেদকসকলক পৰামৰ্শ দিয়া হৈছে।

(h) একে আৰু একেধৰণ শব্দকেইটাৰ ব্যাখ্যাৰ ক্ষেত্ৰত ভুল বুজা-বুজিৰ সৃষ্টি হোৱা পৰিস্থিতিত প্ৰেছ পঞ্জীয়কৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

(i) আলোচনী প্ৰকাশনৰ শিৰোনাম এজন ব্যক্তিৰ নামত পৰীক্ষা কৰা নহ'ব। আলোচনীৰ শিৰোনামৰ পৰীক্ষণ কোনো সংস্থা-প্ৰতিষ্ঠান-সমিতিৰ নামতহে কৰা হ'ব। এনে ক্ষেত্ৰত, একে অথবা একেধৰণৰ বিভিন্ন আলোচনীৰ পৰা পৃথক বুলি স্পষ্টকৈ বুজোৱাৰ বাবেই এইসমূহ সংস্থা/প্ৰতিষ্ঠান/সমিতিৰ নাম শিৰোনামৰ আগত সংযুক্ত হোৱা উচিত।

(j) যদিহে প্ৰকাশিত বিষয়বস্তুসমূহ বা-বাতৰি আৰু ৰাজহুৱা বাতৰি সন্দৰ্ভত প্ৰকাশ কৰা দৃষ্টিভংগী সম্বলিত শ্ৰেণীৰ নহয় কিম্বা আবেদন কৰাৰ সময়ত উল্লেখ কৰা বিষয়বস্তু আৰু প্ৰকৃতিৰ নহয়, তেনে পৰিস্থিতিত পৰীক্ষিত শিৰোনাম পঞ্জীয়নৰ পূৰ্বেই বাতিল যোগ্য হ'ব।

(k) যদি কোনো চৰকাৰী বিভাগ/সংস্থাই বাতৰি কাকত/প্ৰকাশনী উলিওৱাৰ প্ৰস্তাৱৰে শিৰোনাম পৰীক্ষণৰ বাবে আবেদন জনায় তেন্তে, তেনে পৰিস্থিতিত বিভাগীয় মূৰব্বীৰ নামত শিৰোনাম নিৰ্দ্ধাৰিত হ'ব আৰু তেওঁৰ নামতহে এই শিৰোনামৰ পৰীক্ষণ সম্পন্ন কৰা হ'ব।

(17). **দাবী অস্বীকাৰঃ** প্ৰস্তাৱিত বাতৰি কাকত-সাময়িকীৰ শিৰোনাম পৰীক্ষণ কেৱল ১৮৬৭ চনৰ ‘পিআৰবি এক্ট’-ৰ অধীনত বাতৰি কাকত পঞ্জীয়কৰ কাৰ্যালয়ত পঞ্জীয়নৰ কৰাৰ বাবেহে কৰা হয়। ইয়াৰ অৰ্থ এইটো নহয় যে ইয়াৰ জৰিয়তে ট্ৰেড মাৰ্ক, ব্ৰেণ্ড নেম, কোম্পানীৰ নাম আদিৰ অনুমোদন লাভ কৰিব পাৰি। সেয়া কেৱল ট্ৰেড মাৰ্ক আইন/কোম্পানী আইন আদিৰ দৰে আইনৰ অধীনত কৰা আবেদনৰ জৰিয়তে সংশ্লিষ্ট প্ৰাধিকাৰীৰ পৰাহে সংগ্ৰহ কৰিব পাৰি। এই সংক্ৰান্ত উদ্ভৱ হোৱা যিকোনো সংঘাত সংশ্লিষ্ট গোট বিশেষৰ বিষয়বস্তু হ’ব আৰু কোনো পৰিস্থিতিতে ‘ভাৰতৰ বাতৰি কাকত পঞ্জীয়ক’ ইয়াৰ সৈতে জড়িত নহ’ব।

******